**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 10-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::**

HEADLINE

১। গোলকীয় শক্তি হিচাপে ভাৰতৰ উত্থানৰ লগতে দেশৰ আধ্যাত্মিক আৰু সাংস্কৃতিক গুৰুত্বও বৃদ্ধি পোৱা উচিত বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে বান আৰু ভূমিস্খলন প্ৰভাৱিত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, কেৰালা আৰু উত্তৰাখণ্ডৰ বাবে এহেজাৰ ৬৬ কোটিৰো অধিক টকা মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক বিহাৰত ভোটাৰ তালিকাত বিশেষ বিস্তৃত পুনৰীক্ষণৰ অনুমতি প্ৰদান কৰিছে।

৪। গুজৰাটৰ বড়োদৰা জিলাত মাহি নৈৰ ওপৰৰ গম্ভিৰা দলং খহি পৰা ঘটনাত নিহত লোকৰ সংখ্যা ১৫ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। লৰ্ডছ্ টেষ্টত ইংলেণ্ডে প্ৰথম ইনিংছত ....... টা উইকেটৰ বিনিময়ত ........ সংগ্ৰহ কৰিছে।০০০০

০০০০০

গোলকীয় শক্তি হিচাপে ভাৰতৰ উত্থানৰ লগতে দেশৰ আধ্যাত্মিক আৰু সাংস্কৃতিক গুৰুত্বও বৃদ্ধি পোৱা উচিত বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত আজি ভাৰতীয় জ্ঞান প্ৰণালী সম্পৰ্কীয় এখন সন্মিলন মুকলি কৰি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আধ্যাত্মিক আৰু সাংস্কৃতিক উত্থান জৰুৰী বুলি মন্তব্য কৰে। তেওঁ কয়, যে ইয়াৰ অবিহনে কোনো ধৰণৰ উত্থান দীৰ্ঘস্থায়ী হ'ব নোৱাৰে আৰু এয়া দেশৰ পৰম্পৰাৰ পৰিপন্থি। শ্ৰী ধনখড়ে কয়, যে ইউৰোপীয় বিশ্ববিদ্যালয়সমূহৰ আত্মপ্ৰকাশৰ বহু পূৰ্বে ভাৰতৰ বিশ্ববিদ্যালয়সমূহে শিক্ষাৰ কেন্দ্ৰৰূপে নিজকে প্ৰতিষ্ঠা কৰিছিল। তেওঁ কয়, যে প্ৰাচীন ভাৰত আধ্যাত্মিক জীৱনৰ উজ্বল কেন্দ্ৰ আছিল। ইয়াৰ ভিতৰত তক্ষশিলা, নালন্দা, বিক্ৰমশিলা, বল্লভী আৰু অ'দন্তপুৰী অন্যতম। কেন্দ্ৰসমূহক জ্ঞানৰ উৎস বুলি উল্লেখ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই কেন্দ্ৰসমূহৰ পুথিভঁৰালসমূহ জ্ঞানৰ বিশাল মহাসাগৰ স্বৰূপ আছিল আৰু এই পুথিভঁৰালসমূহত ১০ হাজাৰৰো অধিক পাণ্ডুলিপি উপলব্ধ হৈছিল। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত ১১ বছৰত ভাৰতীয় জ্ঞান প্ৰণালী আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰা আয়ুষৰ গোলকীয় স্বীকৃতিৰ ক্ষেত্ৰত অভূতপূৰ্ব উত্থানৰ সাক্ষী হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে বান আৰু ভূমিস্খলন প্ৰভাৱিত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, কেৰালা আৰু উত্তৰাখণ্ডৰ বাবে এহেজাৰ ৬৬ কোটিৰো অধিক টকা মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। গৃহমন্ত্ৰালয়ে

প্ৰকাশ কৰা মতে অসমৰ বাবে ৩৭৫ কোটি, মণিপুৰৰ বাবে ২৯ কোটি, মেঘালয়ৰ বাবে ৩০ কোটি, মিজোৰামৰ বাবে ২২ কোটি, কেৰালাৰ বাবে ১৫৩ কোটি আৰু উত্তৰাখণ্ডৰ বাবে ৪৫৫ কোটিৰো অধিক টকাত অনুমোদন জনোৱা হৈছে।

এই ৰাজ্যকেইখন দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণ, বান আৰু ভূমিস্খলনত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। মন্ত্ৰালয়ে কৈছে, যে বান, ভূমিস্খলন আৰু ডাৱৰ বিস্ফোৰণ প্ৰভাৱিত ৰাজ্যসমূহলৈ সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চলিতবৰ্ষত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ১৪ খন ৰাজ্যলৈ ছহেজাৰ ১৬৬ কোটিৰো অধিক টকা আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা ১২ খন ৰাজ্যলৈ এহেজাৰ ৯৮৮ কোটিৰো অধিক টকা মোকলাই দিছে। ইয়াৰ উপৰি ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা পাঁচখন ৰাজ্যলৈ ৭২৬ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। চৰকাৰে লগত বান, ভূমিস্খলন আৰু ডাৱৰ বিস্ফোৰন প্ৰভাৱিত ৰাজ্যসমূহলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, স্থল সেনা বাহিনী আৰু বায়ু সেনা বাহিনী দলৰ নিয়োগকে ধৰি সকলো ধৰণৰ সহায় আগবঢ়াইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ পাঁচখন দেশীৰ সফল ভ্ৰমণ সামৰি আজি নতুন দিল্লীত উপস্থিত হয়। যোৱা ২ৰ পৰা ৯ জুলাইৰ এই ভ্ৰমণকালত শ্ৰী মোদীয়ে ঘানা, ত্ৰিনিদাদ আৰু টবেগ', আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়াৰ মুৰববীসকলৰ সৈতে ভাৰত আৰু এই দেশসমূহৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰে। শ্ৰী মোদীয়ে লগতে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত ব্ৰিক্‌ছ শীৰ্ষ সন্মিলনতো অংশ লয়। উল্লেখযোগ্য যে এই ভ্ৰমণকালতে ঘানাৰ ৰাষ্ট্ৰপতি জন মহামাই প্ৰধানমন্ত্ৰী শ্ৰী মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান দ্য অফিচাৰ অফ দ্যা অৰ্ডাৰ অফ দ্যা ষ্টাৰ অফ ঘানাৰে সন্মানিত কৰে। ইপিনে প্ৰথমবাৰৰ বাবে ত্ৰিনিদাদ আৰু টবেগ'লৈ যোৱা শ্ৰী মোদীক ভ্ৰমণকালত দেশখনৰ সৰ্বোচ্চ সন্মান দ্যা অৰ্ডাৰ অফ দ্যা ৰিপাব্লিক অফ ত্ৰিনিদাদ এণ্ড টবেগ'ৰে বিভূষিত কৰা হয়। একেদৰে ব্ৰাজিলৰ ভ্ৰমণকালত শ্ৰী মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান দ্যা গ্ৰেণ্ড ক'লাৰ অফ দ্যা নেচনেল অৰ্ডাৰ অফ দ্যা ছাউদাৰ্ন ক্ৰছেৰে সন্মানিত কৰা হয়। নামিবিয়াৰ ৰাষ্ট্ৰপতিয়ে সেই দেশৰ ভ্ৰমণকালত প্ৰধানমন্ত্ৰী শ্ৰী মোদীক সেই দেশৰ সৰ্বোচ্চ সন্মানেৰে বিভূষিত কৰে।

উল্লেখযোগ্য যে, গ্ল'বেল ছাউথ অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে পিছপৰা দেশসমূহৰ লগতে আটলাণ্টিকৰ দুয়োপাৰে অংশীদাৰিত্ব শক্তিশালী কৰা আৰু ব্ৰিক্‌ছ, আফ্ৰিকীয় সংঘ, ইক'ৱাছ আৰু কেৰিকমৰ দৰে বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে এই দেশকেইখন ভ্ৰমণ কৰিছিল।

বিজেপিয়ে প্ৰধানমন্ত্ৰীৰ পাঁচ দেশীয় ভ্ৰমণসূচী সফল বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয়, যে ব্ৰিকছ শীৰ্ষ সন্মিলনৰ প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ঐক্যমত গঢ়ি তুলিবলৈ সমৰ্থ হোৱাই নহয়, বৰং সন্ত্ৰাসবাদৰ ভুক্তভোগী আৰু সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকসকলক একে ধৰণৰ তুলাচনিৰে জুখিব পৰা নাযায় বুলি স্পষ্ট কৰি দিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক বিহাৰত ভোটাৰ তালিকাত বিশেষ বিস্তৃত পুনৰীক্ষণৰ অনুমতি প্ৰদান কৰিছে। অৱশ্যে নিৰ্বাচন আয়োগে ন্যায়ৰ খাতিৰ বৰ্তমানৰ পুনৰীক্ষণ প্ৰক্ৰিয়াত আধাৰ, ৰেচন কাৰ্ড আৰু ভোটাৰ

পৰিচয় পত্ৰৰ দৰে গুৰুত্বপূৰ্ণ পৰিচয় পত্ৰসমূহ গ্ৰহণ কৰাৰ কথা বিবেচনা কৰিবলৈ আয়োগত নিৰ্দেশ দিয়ে। নিৰ্বাচন আয়োগে বিহাৰত চলাই থকা ভোটাৰ তালিকাৰ পুনৰীক্ষণ সংবিধাৰ অনুকুল বুলি মন্তব্য কৰি সৰ্বোচ্চ ন্যায়ালয়ে পুনৰীক্ষণৰ সময়ক লৈ প্ৰশ্ন উত্থাপন কৰে। ন্যায়ালয়ে কয়, যে অকল বিহাৰৰ বিধানসভা নিৰ্বাচনৰ বাবে পুনৰীক্ষণ কিয় কৰা হৈছে আৰু এই প্ৰক্ৰিয়া সমগ্ৰ দেশত কিয় ৰূপায়ণ কৰিব পৰা নাযায় বুলি প্ৰশ্ন তোলে। ন্যায়াধীশ সুধাংশু ঢুলীয়া আৰু জয়মাল্য বাগচিক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে যদিহে নিৰ্বাচন আয়োগে নাগৰিকত্বৰ পৰীক্ষা কৰিব বিচাৰিছে তেন্তে ই পূৰ্বতে এনে কৰা উচিত আছিল।

আগষ্টত সংশোধিত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি উল্লেখ কৰি উচ্চতম ন্যায়ালয়ে ২৮ জুলাইত বিষয়টোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰে।

ooooo

গুজৰাটৰ বডোদৰা জিলাত মাহি নৈৰ ওপৰৰ গম্ভিৰা দলং খহি পৰা ঘটনাত নিহত লোকৰ সংখ্যা ১৫ লৈ বৃদ্ধি পাইছে। বডোদৰাৰ জিলাধিপতি অনিল ধামেলিয়াই আজি দুৰ্ঘটনাস্থলীৰ পৰা আৰু তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা বুলি আৰু এতিয়াও চাৰিজন লোক সন্ধানহীন হৈ আছে বুলি জানিবলৈ দিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে নৈখনৰ পৰা চাৰি কিলোমিটাৰ পৰ্যান্ত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। ঘটনাৰ প্ৰাৰম্ভিক প্ৰতিবেদন আজি সন্ধিয়াৰ ভাগলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰা হ'ব।

ooooo

নীতি আয়োগে ৰাজ্যিক বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদসমূহৰ সৰলীকৰণৰ বাবে বিশদ পৰিকল্পনা মুকলি কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেদী আৰু আয়োগৰ সদস্য ড০ ভি কে সাৰস্বতৰ সৈতে এই পৰিকল্পনা মুকলি কৰে। আয়োগে প্ৰকাশ কৰা মতে এই পৰিকল্পনাত সমগ্ৰ দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদসমূহৰ ভূমিকা আৰু কামকাজ সুদৃঢ় কৰি তোলাৰ বাবে কৌশলগত দৃষ্টিভংগী অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

আজি গুৰু পূৰ্ণিমা। আহাৰৰ শুক্লপক্ষৰ পূৰ্ণিমা তিথিত গুৰু পূৰ্ণিমা পালন কৰা হয়। হিন্দু শাস্ত্ৰ অনুসৰি গুৰু-শিষ্যৰ পৰম্পৰাত গুৰুৰ প্ৰাধান্য দেখুৱাবলৈ এই পূৰ্ণিমা পালন কৰা হয়। ভাৰতীয় পৰম্পৰাত গুৰুক ভগৱানৰ লগত তুলনা কৰা হয়। এই বিশেষ দিনটোক গুৰুসকলৰ বাবে উৎসৰ্গিত কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৰু পূৰ্ণিমা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন এলেকাত অহা ছদিনলৈ মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণৰ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে মধ্য প্ৰদেশ, ছত্তিশগড় আৰু বিদৰ্ভত পৰৱৰ্তী দুদিনত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। এই সময়ছোৱাত দেশৰ উত্তৰ আৰু পূব অংশতো মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

ooooo

এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলত ঘৰুৱা দল ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে প্ৰথম ইনিংছত ২ টা উইকেটৰ বিনিময়ত ৯৫ সংগ্ৰহ কৰি খেলি আছে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে দুয়োটা উইকেট দখল কৰিছে।

পাঁচখনীয়া শৃংখলাটো সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে। ইংলেণ্ডে হেডিংলিত অনুষ্ঠিত প্ৰথমখন খেলত পাঁচ উইকেটত জয়লাভ কৰিছে আৰু ভাৰতে এজবেষ্টনত অনুষ্ঠিত দ্বিতীয়খন খেলত ৩৩৬ ৰান বিজয় সাব্যস্ত কৰে। পিঠি আৰু কিলাকুটিৰ আঘাটৰ বাবে চাৰি বছৰৰ বিৰতিৰ অন্তত ইংলেণ্ডৰ বেগীলাৰ জ'ফ্ৰা আৰ্চাৰে এই খেলখনৰ জৰিয়তে টেষ্ট ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন কৰিছে। ভাৰতৰ ১১ জনীয়া দলত প্ৰসিদ্ধ কৃষ্ণৰ ঠাইত যশপ্ৰীত বুমৰাক অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ